# ঠুকিডিডিচ (খ্ৰীষ্টপূৰ্ব ৪৬০–৩৯৬)

এথেনীয় পিতৃ আৰু থ্ৰেচিয়ান মাতৃৰ সন্তান হিচাপে জন্মগ্ৰহণ কৰা ঠুকিডিডিচে এথেন্সৰ সৰ্বোত্তম শিক্ষা গ্ৰহণ কৰিছিল। খ্ৰীষ্টপূৰ্ব ৪৩০ চনত তেওঁ মহামাৰীৰ দ্বাৰা আক্ৰান্ত হৈছিল যদিও মৃত্যুৱে তেওঁক স্পৰ্শ কৰা নাছিল—এনে এক ঐতিহাসিক ভূমিকা পালন কৰিবলৈ তেওঁ বাচি ৰ'ল। পেলপনেছিয়ান যুদ্ধ আৰম্ভ হোৱাৰ পিছৰ পৰাই তেওঁ যুদ্ধৰ দিনক দিনৰ বিৱৰণী লিপিবদ্ধ কৰিবলৈ ধৰে। খ্ৰীষ্টপূৰ্ব ৪২৪ চনত, থ্ৰেচলৈ নৌ-অভিযান চলোৱাৰ বাবে দুজন সেনাপতিৰ ভিতৰত তেওঁকো নিৰ্বাচিত কৰা হয়, কিন্তু এটা সামৰিক ব্যৰ্থতাৰ বাবে তেওঁক এথেন্সৰ পৰা নিৰ্বাসিত কৰা হয়। এই নিৰ্বাসনেই ঠুকিডিডিচৰ বাবে এক সুবৰ্ণ সুযোগ হৈ পৰে—তেওঁ পৰৱৰ্তী বিশ বছৰ পেলপনেছাছ আৰু অন্যান্য অঞ্চল ভ্ৰমণ কৰি যুদ্ধৰ গৱেষণা আৰু তথ্য সংগ্ৰহ কৰে। খ্ৰীষ্টপূৰ্ব ৪০৪ চনৰ অলিগাৰ্চিক বিপ্লৱে তেওঁৰ নিৰ্বাসনৰ অন্ত পেলায়, আৰু তেওঁ এথেন্সলৈ উভতি আহে। খ্ৰীষ্টপূৰ্ব ৩৯৬ চনত তেওঁৰ মৃত্যু হয় (কোনোবা মতে হত্যাৰ দ্বাৰা), আৰু তেওঁৰ অমৰ গ্ৰন্থ *"পেলপনেছিয়ান যুদ্ধৰ ইতিহাস"* অসম্পূৰ্ণ অৱস্থাতে ৰৈ যায়

Ripun Doley

## বিষয়বস্তু আৰু মূলসুঁতি

তৰুণ অৱস্থাতেই ঠুকিডিডিচে এথেন্সত হেৰোডোটাছে পঢ়া *পাৰ্চিয়ান যুদ্ধৰ ইতিহাসৰ* পাঠ শুনিছিল। কিন্তু হেৰোডোটাছৰ বহুমুখী, কাল আৰু স্থানজোৰা বৰ্ণনাৰ বিপৰীতে, ঠুকিডিডিচে পেলপনেছিয়ান যুদ্ধৰ সংকীৰ্ণ পৰিসৰত মনোনিবেশ কৰে। তেওঁৰ গ্ৰন্থখন ঋতুভিত্তিক (গ্ৰীষ্ম আৰু শীত) কালক্ৰমৰ এক কঠোৰ কাঠামোত বান্ধি থোৱা হৈছে। *পেলপনেছিয়ান যুদ্ধৰ ইতিহাস* নামৰ গ্ৰন্থখন আঠটা খণ্ডত বিভক্ত; অষ্টম খণ্ডখন খ্ৰীষ্টপূৰ্ব ৪১১ চনৰ এটা যুদ্ধৰ মাজভাগতেই হঠাৎ শেষ হৈ যায়। ঠুকিডিডিচে এই গ্ৰন্থ ৰচনা কৰিছিল ভৱিষ্যতৰ ইতিহাসবিদসকলৰ বাবে তথ্যৰ ভঁৰাল আৰু ৰাজনীতিবিদসকলৰ বাবে নীতি-নিৰ্দেশনা হিচাপে। তেওঁৰ মতে, ইতিহাস হৈছে মানৱ প্ৰকৃতিৰ এক দাপোণ—য'ত অতীতৰ সত্যে ভৱিষ্যতৰ আৰ্হি গঢ়ে। তেওঁ দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে মানুহৰ আচৰণ আৰু পৰিস্থিতি সদায় একে ধৰণৰ হৈ থাকে; সেয়েহে, ইতিহাসৰ পাঠই যুগে যুগে পুনৰাবৃত্তি হোৱা সমস্যাসমূহ সমাধানৰ চাবি দিব পাৰে।

## গৱেষণাৰ পদ্ধতি

ঠুকিডিডিচে ইতিহাসক বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰাৰ পথ প্ৰশস্ত কৰিছিল। হেৰোডোটাছৰ দৰে কিংবদন্তি আৰু অলৌকিকতাক বিশ্বাস নকৰি, তেওঁ প্ৰত্যক্ষদৰ্শী সাক্ষ্য, দলিল আৰু যুক্তিনিষ্ঠ বিশ্লেষণৰ ওপৰত ভিত্তি কৰি ইতিহাস লিখিছিল। যুদ্ধৰ বেছিভাগ ঘটনা তেওঁ স্বচক্ষে দেখিছিল আৰু প্ৰামাণিকতাৰ বাবে বহুতো সাক্ষাৎকাৰ সংগ্ৰহ কৰিছিল। তেওঁৰ মতে, ইতিহাসৰ কাৰ্যকাৰণ সম্বন্ধ আৰু ৰাজনৈতিক কৌশল বুজিবলৈ অতীতৰ নিৰপেক্ষ বিশ্লেষণেই একমাত্ৰ উপায়। অৱশ্যে, ঠুকিডিডিচে এটা সৃষ্টিশীলতাৰ প্ৰয়োগ কৰিছিল—তেওঁ যুদ্ধৰ নেতাসকলৰ মুখত কাল্পনিক ভাষণ সন্নিৱিষ্ট কৰিছিল। এই ভাষণবোৰে ঘটনাৰ প্ৰসংগ, ৰাজনৈতিক যুক্তি, আৰু মানৱ মনস্তত্ত্বক সজীৱ ৰূপ দিছিল। তেওঁ স্বীকাৰ কৰিছিল যে এই ভাষণবোৰ প্ৰকৃততে হোৱা নাছিল, কিন্তু প্ৰতিটো ভাষণে সেই সময়ৰ ৰাজনৈতিক বাস্তৱতা আৰু চৰিত্ৰসমূহৰ চিন্তাধাৰাক প্ৰতিনিধিত্ব কৰিছিল।

## লিখন শৈলী

Pipun Doley

ঠুকিডিডিচৰ শৈলী সংক্ষিপ্ত, বাস্তৱধৰ্মী, আৰু নাটকীয় শক্তিসম্পন্ন। তেওঁৰ বৰ্ণনাত এথেন্স আৰু স্পাৰ্টা—দুয়োটা পক্ষৰ প্ৰতি নিৰপেক্ষতা দেখা যায়। তেওঁৰ ভাষা ৰোমাণ্টিকতা বা অতিকথনৰ পৰা মুক্ত; প্ৰত্যেক বাক্যত তথ্য আৰু যুক্তিৰ ওপৰত গুৰুত্ব দিয়া হৈছে। গ্ৰন্থখনত তেওঁ মানৱ জাতিৰ চিৰন্তন সত্যবোৰ উল্লেখ কৰিছে—যেনে, সৌভাগ্যৰ পিছত পতন অৱশ্যম্ভাৱী, ক্ষমতাই সদায় ন্যায় প্ৰদান নকৰে, আৰু লোভে মানুহক ধ্বংসলৈ লৈ যায়। তেওঁৰ উদ্দেশ্য আছিল শাসকশ্ৰেণীৰ বাবে এক নৈতিক দৰ্পণ সৃষ্টি কৰা, যিয়ে শক্তিৰ দৰ্প আৰু ৰাজনৈতিক ভুলৰ পৰিণামৰ সৈয়ে সতৰ্ক কৰে।

## ঐতিহাসিক মূল্যায়ন

ঠুকিডিডিচক আধুনিক ইতিহাসবিদ্যাৰ পথপ্ৰদৰ্শক হিচাপে গণ্য কৰা হয়। তেওঁ প্ৰথমে ইতিহাসক পৌৰাণিক আখ্যানৰ পৰা মুক্ত কৰি যুক্তি আৰু বিজ্ঞানৰ ভেটিত স্থাপন কৰিছিল। হিপ'ক্ৰেটিক চিকিৎসাবিজ্ঞানৰ দৰে, তেওঁ ৰাজনীতি আৰু যুদ্ধকো এক যুক্তিনিষ্ঠ প্ৰক্ৰিয়া হিচাপে বিশ্লেষণ কৰিছিল। তেওঁৰ মতে, ইতিহাসৰ ঘটনাবোৰ পৰস্পৰ সংযুক্ত আৰু এক কাৰণ-কাৰ্য শৃংখলাৰে বান্ধ

খাই থাকে। উদাহৰণস্বৰূপে, তেওঁ এথেন্সৰ সাম্ৰাজ্যবাদক সম্পদৰ লোভ আৰু ক্ষমতাৰ অসমীকৰণৰ ফলাফল বুলি ব্যাখ্যা কৰিছিল।

**জে. বি. বাৰী**ৰ মতে, ঠুকিডিডিচে ইতিহাসক এক বিজ্ঞানলৈ ৰূপান্তৰিত কৰাত যুগান্তকাৰী ভূমিকা পালন কৰিছে। **ডেভিদ হিউমে** কয় যে ঠুকিডিডিচৰ প্ৰথম পৃষ্ঠাই হৈছে "প্ৰকৃত ইতিহাসৰ আৰম্ভণি"। কিন্তু **ৱিল ডুৰাণ্টে** তেওঁৰ যুদ্ধকেন্দ্ৰিক দৃষ্টিভংগীৰ সমালোচনা কৰে—য'ত কলা, সংস্কৃতি, আৰু সাধাৰণ জনজীৱনৰ বৰ্ণনা অনুপস্থিত। তথাপিও, ঠুকিডিডিচৰ সত্যনিষ্ঠা, ভাষাৰ মহত্ত্ব, আৰু বিশ্লেষণাত্মক শক্তিয়ে তেওঁক ইতিহাসৰ এক উজ্জ্বল নক্ষত্ৰ হিচাপে ৰাখিছে।

**কলিংউডৰ দৃষ্টিত: হেৰোডোটাচ বনাম ঠুকিডিডিচ**

দাৰ্শনিক **আৰ. জি. কলিংউডে** ঠুকিডিডিচ আৰু হেৰোডোটাচৰ মাজত এক গুৰুত্বপূৰ্ণ পাৰ্থক্য চিহ্নিত কৰে:

- **হেৰোডোটাচে** ইতিহাসক এক কৌতূহলোদ্দীপক কাহিনী হিচাপে চাইছিল, য'ত মানুহৰ কৃতিত্ব আৰু সংস্কৃতিৰ বৰ্ণনা প্ৰধান। তেওঁৰ শৈলী আছিল সৰল, স্বাভাৱিক, আৰু বৰ্ণনাধৰ্মী।
- **ঠুকিডিডিচে** ইতিহাসক এক মনস্তাত্ত্বিক বিজ্ঞান হিচাপে গণ্য কৰিছিল। তেওঁৰ লক্ষ্য আছিল মানৱ আচৰণৰ চিৰন্তন নিয়ম আৱিষ্কাৰ কৰা। কলিংউডে তেওঁৰ শৈলীক "কঠোৰ" আৰু "কৃত্ৰিম" বুলি অভিহিত কৰে, কাৰণ তাত ব্যক্তিৰ স্বকীয়তাৰ পৰিৱৰ্তে সাধাৰণীকৰণৰ প্ৰৱণতা দেখা যায়। ঠুকিডিডিচে চৰিত্ৰসমূহৰ মুখত দিয়া ভাষণবোৰৰ একেধৰণৰ শৈলীয়ে এইটোকে সূচায় যে তেওঁৰ আঁৰৰ উদ্দেশ্য আছিল মানৱীয় আচৰণৰ সাৰ্বজনীন সত্য উদঘাটন কৰা।

**প্ৰাসংগিকতা**

ঠুকিডিডিচে দেখুৱাইছে যে ৰাজনীতি, ক্ষমতাৰ দ্বন্দ্ব, আৰু মানৱ প্ৰকৃতিৰ মৌলিক সত্যবোৰ সময়ৰ সৈয়ে সলনি নহয়। আজিও ৰাষ্ট্ৰীয় নীতি, যুদ্ধৰ কৌশল, আৰু নেতৃত্বৰ দৰ্শনত তেওঁৰ বিশ্লেষণৰ প্ৰভাৱ স্পষ্ট। তেওঁৰ গ্ৰন্থক কেৱল ইতিহাস নহয়, এক দাৰ্শনিক গ্ৰন্থ হিচাপেও গণ্য কৰা

Ripun Doley

হয়—য’ত মানৱ জাতিৰ চিৰন্তন সংঘাত আৰু জীৱনৰ জটিলতাৰ এক গভীৰ অভিজ্ঞতা প্ৰতিফলিত হয়।

Sources:

Assamese translation from E Sreedharan, ***A Textbook of Historiography 550 BC to AD 2000*** Orient BlackSwan, 2011, page no. 12-15

Ripun Doley